# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-04-2024

**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

::::::::::::::::::::::::::::::::::::::

ৰাজ্যখনত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান পৰহিলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। এই পৰ্যায়ত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিত নিৰ্বাচন হ'ব। আনহাতে তৃতীয় পৰ্যায়ত ৰাজ্যখনত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবেও ব্যাপক প্ৰচাৰ অব্যাহত আছে। দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী দিলীপ শইকীয়াৰ সমৰ্থনত আজি মন্ত্ৰী অশোক সিংঘালে তামুলপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। তামুলপুৰ বিধানসভা সমষ্টিৰ চাৰিটা স্থানত প্ৰচাৰ সভাত অংশ লৈ মন্ত্ৰী সিংঘালে প্ৰাৰ্থীগৰাকীক জয়ী কৰাবলৈ আহ্বান জনায়। সমষ্টিটোৰ প্ৰাৰ্থীগৰাকীৰ হৈ কাইলৈ বিজেপিৰ জ্যেষ্ঠ নেতা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তামুলপুৰ জিলাৰ নাগ্ৰীজুলিত প্ৰচাৰ চলাব। ইপিনে গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি ক্ষেত্ৰী গাঁও পঞ্চায়ত আৰু ধুপগুৰি গাঁও পঞ্চায়তত প্ৰচাৰ চলোৱাৰ উপৰি বিয়লিৰ ভাগত সোণাপুৰ মণ্ডলত আয়োজিত এটা সমদলত অংশ লয়। একেদৰে সমষ্টিটোৰ কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে আজি বিয়লি চানমাৰি ক'লনি খেলপথাৰত এখন প্ৰচাৰ সভাত অংশ লৈ শাসকীয় বিজেপিক সমালোচনা কৰে। এই কাৰ্যসূচীত কংগ্ৰেছৰ দলৰ ৰাষ্ট্ৰীয় নেত্ৰী সুপ্ৰিয়া শ্ৰীনেট আৰু মহিমা সিং উপস্থিত থাকে। নগাঁও সমষ্টিৰ অন্তৰ্গত মৰিগাওঁ জিলাৰ ভুৰবন্ধাত আজি জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ নিৰ্বাচনী সভাত অংশ লয়।

০০০০০

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি মৰিগাঁৱত উপস্থিত হৈ জিলাখনত নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। নগাঁও লোকসভা সমষ্টিৰ অধীনৰ মৰিগাঁও নিৰ্বাচনী জিলাত উপস্থিত হৈ বিষয়াগৰাকীয়ে মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্ত আৰু নিৰ্বাচনী কামকাজৰ দায়িত্বত থকা বিষয়াসকলৰ সৈতে এখন সভাত মিলিত হয়। সভাত শ্ৰীগোৱেলে  ষ্ট্ৰং ৰুমৰ ব্যৱস্থাপনাৰ সন্দৰ্ভত বিতংভাৱে বুজ লোৱাৰ লগতে ৱেব কাষ্টিং, জি পি এছ ব্যৱস্থা, ই ভি এম ব্যৱস্থাপনা আদি বিষয় সন্দৰ্ভত আলোচনা কৰে।

একেদৰে, নগাঁৱতো মুখ্য নিৰ্বাচনী বিষয়াগৰাকী উপস্থিত হৈ নগাঁৱৰ জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ লগতে জিলা প্ৰশাসনৰ দায়িত্বত থকা বিষয়াসকলৰ সৈতে পৰ্যালোচনা মিলিত হয়। ইয়াৰ পাছত বিষয়াগৰাকী নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়, নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় আৰু ডচন উচ্চতৰ মাধ্যমিক বহুমুখী বালক বিদ্যালয়ৰ ষ্ট্ৰং ৰুম, সামগ্ৰীসমূহৰ বিতৰণ ব্যৱস্থা আৰু খাদ্য যোগানকে ধৰি নিৰ্বাচনৰ সৈতে জড়িত সকলো ব্যৱস্থাপনাৰ বুজ লয়।

০০০০০

কাৰ্বি আংলং নিৰ্বাচনী জিলাত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ডিফু, বোকাজান, হাওৰাঘাট, ৰংখাং, আমৰি আৰু হাফলং বিধানসভা সমষ্টিক সামৰি গঠিত ডিফু লোকসভা সমষ্টিৰ সৰ্বমুঠ ৮ লাখ ৯২ হাজাৰ ৭৮৯ জন ভোটাৰ আছে। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা ৪ লাখ ৪৫ হাজাৰ ৮৪ জন হোৱাৰ বিপৰীতে ৪ লাখ ৪৭ হাজাৰ ৫ গৰাকী মহিলা ভোটাৰ আছে। নিৰ্বাচনী জিলাখনত ৪৪৮ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে বুলি জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়া মধুমিতা ভাগৰতীয়ে জানিবলৈ দিয়ে। নিৰ্বাচনী জিলাখনৰ ২০টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে পৰিচালনা কৰিব। ইপিনে জিলাখনত পোষ্টেল বেলটৰ জৰিয়তে বৰ্তমানলৈকে ৩৫৫ জন ভোটাৰে ঘৰতে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিছে।

আনহাতে, নিৰ্বাচনী জিলাখনত ভোটাৰ ৰাইজৰ মাজত ভোটদানৰ সজাগতা বৃদ্ধিৰ বাবে আজি ৰাজ্যিক নিৰ্বাচনী আইকন ৰাকেশ বনিক উপস্থিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা ডিফু চহৰলৈ বাহিৰ কৰা চাইকেল ৰেলীত অংশগ্ৰহণ কৰি পেৰা চাইক্লিষ্ট শ্ৰী বনিকে অহা ২৬ এপ্ৰিলত অনুষ্ঠিত হ'বলগা দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত ডিফু সমষ্টিৰ ভোটাৰ ৰাইজক দলে-বলে ওলাই আহি ভোটদান কৰিবললৈ আহ্বান জনায়।

০০০০০

গোলাঘাট জিলাৰ ডেৰগাঁৱত আজিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪১ সংখ্যক কাজিৰঙা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন আৰম্ভ হৈছে। এই উপলক্ষে আজি পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচীৰ পাছতে **যাওঁ আমি পোহৰ বিচাৰি** শীৰ্ষক এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সদৌ অসম ছাত্ৰ সন্থাই ডেৰগাঁৱত আয়োজন কৰা এই মুকলি বিহুৰ উদযাপন সমিতিৰ সভাপতি তথা বিশিষ্ট চিকিৎসক ডাঃ গুণোত্তম বৰাই পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ আৰু বৃক্ষৰোপণ কাৰ্যসূচীৰ পাছতেই বিহুৰ সেৱা অনুষ্ঠান অনুষ্ঠিত হয়।

০০০০০

গোলাঘাট জিলাত লোকসভা নিৰ্বাচনৰ কৰ্তব্যত নিয়োজিত হৈ থকা অসম আৰক্ষীৰ কনিষ্টবল ৰানাবীৰ চৌৰেনৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। কোকৰাঝাৰৰ পৰা গোলাঘাটলৈ গৈ লোকসভা নিৰ্বাচনৰ দায়িত্বত জড়িত হৈ পৰা আৰক্ষী জোৱানজনৰ মৃতদেহ পুলিবৰস্থিত আৰক্ষী নিবেশৰ চৌহদৰ এটা পুখুৰীত উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰনোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰি তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

০০০০০

ঃসমাপ্তঃ